**ভাৰতৰ উচ্চতম ন্যায়ালয়**

**দেৱানী আপীলীয় ক্ষেত্ৰাধিকাৰ**

**<u>২০১৯ চনৰ আই. এ. (অন্তৱৰ্তী আবেদন) নং ৫০৫১ আৰু ৫০৫৫</u>**

**<u>দেৱানী আপীল ডায়েৰী নং ৩০৬৭- ২০১৮ত অন্তৰ্ভূক্ত</u>**

**লেবৰ লালু**

**................আপীলকাৰী(আপীলকাৰীসকল)**

**বনাম**

**অল ডিমাছা ষ্টুডেণ্টছ্ ইউনিয়ন হাছাও ডিচট্ৰিক্ট কমিটি আৰু অন্যান্য**

**...............উত্তৰদাতা (উত্তৰদাতাসকল)**

**<u>লগতে</u>**

**<u>২০১৯ চনৰ আই. এ. (অন্তৱৰ্তী আবেদন) নং ৬৭৬০৩ আৰু ৬৭৬১০</u>**

**<u>দেৱানী আপীল ডায়েৰী নং ৩০৬৭- ২০১৮ত অন্তৰ্ভূক্ত</u>**

**লেবৰ লালু**

**................আপীলকাৰী(আপীলকাৰীসকল)**

**বনাম**

**অল ডিমাছা ষ্টুডেণ্টছ্ ইউনিয়ন হাছাও ডিচট্ৰিক্ট কমিটি আৰু অন্যান্য**

**...............উত্তৰদাতা (উত্তৰদাতাসকল)**

**<u>লগতে</u>**

**<u>২০১৯ চনৰ আই. এ. (অন্তৱৰ্তী আবেদন) নং ৪৫৬৭৯ আৰু ৪৫৬৭৩</u>**

**<u>দেৱানী আপীল নং ৫২৭২- ২০১৬ত অন্তৰ্ভূক্ত</u>**

**কা হিমা নংষ্টোইন লেণ্ড অ'নাৰচ, কোল ট্ৰেডাৰচ এণ্ড প্ৰডিউচাৰ এচচিয়েচন**

................আপীলকাৰী(আপীলকাৰীসকল)

**বনাম**

**অল ডিমাছা ষ্টুডেণ্টছ ইউনিয়ন ডিমা হাছাও ডিচট্ৰিক্ট কমিটি আৰু অন্যান্য**

...............উত্তৰদাতা (উত্তৰদাতাসকল)

**লগতে**

**২০১৯ চনৰ আই. এ. (অন্তৰ্বৰ্তী আবেদন) নং ৬৭৮৬**

**দেৱানী আপীল নং ৫২৭২- ২০১৬ত অন্তৰ্ভূক্ত**

**কা হিমা নংষ্টোইন লেণ্ড অ'নাৰচ, কোল ট্ৰেডাৰচ এণ্ড প্ৰডিউচাৰ এচচিয়েচন**

................আপীলকাৰী(আপীলকাৰীসকল)

**বনাম**

**অল ডিমা ষ্টুডেণ্টছ ইউনিয়ন ডিমা হাছাও ডিচট্ৰিক্ট কমিটি আৰু অন্যান্য**

...............উত্তৰদাতা (উত্তৰদাতাসকল)

**লগতে**

**২০১৯ চনৰ আই. এ. (অন্তৰ্বৰ্তী আবেদন) নং ২২৯৩৬ আৰু ২২৯৬১**

**দেৱানী আপীল নং ৫২৭২- ২০১৬ত অন্তৰ্ভূক্ত**

**কা হিমা নংষ্টোইন লেণ্ড অ'নাৰচ, কোল ট্ৰেডাৰচ এণ্ড প্ৰডিউচাৰ এচচিয়েচন**

................আপীলকাৰী(আপীলকাৰীসকল)

**বনাম**

**অল ডিমাছা ষ্টুডেণ্টছ ইউনিয়ন ডিমা হাছাও ডিচট্ৰিক্ট কমিটি আৰু অন্যান্য**

...............উত্তৰদাতা (উত্তৰদাতাসকল)

**<u>লগতে</u>**

**<u>২০১৯ চনৰ আই. এ. (অন্তৱৰ্তী আবেদন) নং ২২৯৮১ আৰু ২২৯৮৮</u>**

**<u>দেৱানী আপীল নং ৫২৭২- ২০১৬ত অন্তৰ্ভূক্ত</u>**

**কা হিমা নংষ্টোইন লেগু অ'নাৰচ, কোল ট্ৰেডাৰচ এণ্ড প্ৰডিউচাৰ এচচিয়েচন**

**................আপীলকাৰী(আপীলকাৰীসকল)**

**বনাম**

**অল ডিমাছা ষ্টুডেণ্টছ ইউনিয়ন ডিমা হাছাও ডিচট্ৰিক্ট কমিটি আৰু অন্যান্য**

**...............উত্তৰদাতা (উত্তৰদাতাসকল)**

**<u>লগতে</u>**

**<u>২০18 চনৰ আই. এ. (অন্তৱৰ্তী আবেদন) নং ১৫৭০৯০</u>**

**<u>দেৱানী আপীল নং ৫২৭২- ২০১৬ত অন্তৰ্ভূক্ত</u>**

**কা হিমা নংষ্টোইন লেগু অ'নাৰচ, কোল ট্ৰেডাৰচ এণ্ড প্ৰডিউচাৰ এচচিয়েচন**

**................আপীলকাৰী(আপীলকাৰীসকল)**

**বনাম**

**অল ডিমাছা ষ্টুডেণ্টছ ইউনিয়ন ডিমা হাছাও ডিচট্ৰিক্ট কমিটি আৰু অন্যান্য**

**...............উত্তৰদাতা (উত্তৰদাতাসকল)**

**<u>লগতে</u>**

**<u>২০১৯ চনৰ আই. এ. (অন্তৱৰ্তী আবেদন) নং ৫৩০৪১</u>**

**<u>দেৱানী আপীল নং ৫২৭২- ২০১৬ত অন্তৰ্ভূক্ত</u>**

**কা হিমা নংষ্টোইন লেগু অ'নাৰচ, কোল ট্ৰেডাৰচ এণ্ড প্ৰডিউচাৰ এচচিয়েচন**

**................আপীলকাৰী(আপীলকাৰীসকল)**

**বনাম**

**অল ডিমাছা ষ্টুডেণ্টছ ইউনিয়ন ডিমা হাছাও ডিচট্ৰিক্ট কমিটি**

**আৰু অন্যান্য**

**...............উত্তৰদাতা (উত্তৰদাতাসকল)**

**লগতে**

**২০১৯ চনৰ আই. এ. (অন্তৱৰ্তী আবেদন) নং ৭৮৪৫**

**দেৱানী আপীল নং ৫২৭২- ২০১৬ত অন্তৰ্ভূক্ত**

**কা হিমা নংষ্টোইন লেগু অ'নাৰচ, কোল ট্ৰেডাৰচ এণ্ড প্ৰডিউচাৰ**

**এচচিয়েচন**

**................আপীলকাৰী(আপীলকাৰীসকল)**

**বনাম**

**অল ডিমাছা ষ্টুডেণ্টছ ইউনিয়ন ডিমা হাছাও ডিচট্ৰিক্ট কমিটি**

**আৰু অন্যান্য**

**...............উত্তৰদাতা (উত্তৰদাতাসকল)**

**লগতে**

**২০১৮ চনৰ আই. এ. (অন্তৱৰ্তী আবেদন) নং .........**

**দেৱানী আপীল নং ৫২৭২- ২০১৬ত অন্তৰ্ভূক্ত**

**কা হিমা নংষ্টোইন লেগু অ'নাৰচ, কোল ট্ৰেডাৰচ এণ্ড প্ৰডিউচাৰ**

**এচচিয়েচন**

**................আপীলকাৰী(আপীলকাৰীসকল)**

**বনাম**

**অল ডিমাছা ষ্টুডেণ্টছ ইউনিয়ন ডিমা হাছাও ডিচট্ৰিক্ট কমিটি**

**আৰু অন্যান্য**

**...............উত্তৰদাতা (উত্তৰদাতাসকল)**

**<u>লগতে</u>**

**<u>২০১৯ চনৰ আই. এ. (অন্তৰ্বৰ্তী আবেদন) নং ২৯৪৫৫</u>**

**<u>দেৱানী আপীল নং ৫২৭২- ২০১৬ত অন্তৰ্ভূক্ত</u>**

**কা হিমা নংষ্টোইন লেণ্ড অ'নাৰচ, কোল ট্ৰেডাৰচ এণ্ড প্ৰডিউচাৰ এচচিয়েচন**

**................আপীলকাৰী(আপীলকাৰীসকল)**

**বনাম**

**অল ডিমাছা ষ্টুডেণ্টছ ইউনিয়ন ডিমা হাছাও ডিচট্ৰিক্ট কমিটি আৰু অন্যান্য**

**...............উত্তৰদাতা (উত্তৰদাতাসকল)**

# <u>ৰায়</u>

**<u>ন্যায়াধীশ অশোক ভূষণ,</u>**

০৮-০৫-২০১৯ত আমি অন্যান্য বিষয়ৰ সৈতে দেৱানী আপীল আবেদনসমূহৰ শুনানি লৈছো আৰু উক্ত তাৰিখত ৰায় সংৰক্ষণ কৰা হৈছে। দেৱানী আপীল আবেদনৰ শুনানিৰ সময়ত কেইবাটাও আই. এ.(অন্তৰৰ্তী আবেদন)ত বিদ্বান পৰামৰ্শদাতাৰ যুক্তিৰ শুনানিৰ লৈছো।

২. আমি আবেদনকাৰীসকলৰ বিদ্বান পৰামৰ্শদাতা, মেঘালয় ৰাজ্যৰ বিদ্বান পৰামৰ্শদাতা শ্ৰী নিধেশ গুপ্তা, উত্তৰদাতাসকলৰ হৈ হাজিৰ হোৱা বিদ্বান জ্যেষ্ঠ পৰামৰ্শদাতা আৰু *এমিকাছ কিউৰি* (আদালতৰ বন্ধু) শ্ৰী কলিন গনজালভেছ, বিদ্বান জ্যেষ্ঠ পৰামৰ্শদাতাৰ যুক্তি শুনিছো।

৩. এই আদালতৰ নিৰ্দেশনাৰ বাবে প্ৰাৰ্থনা কৰাৰ লগতে এই বিষয়সমূহত পক্ষ লোৱাৰ বাবে কেইবাখনো আবেদন দাখিল কৰা হৈছে। আমাৰ অভিমত যে, এই কাৰ্য্যপ্ৰক্ৰিয়াত আবেদনকাৰীসকলৰ পক্ষ লোৱাৰ প্ৰয়োজন নাই। অৱশ্যে আমি আবেদনকাৰীসকলক এই বিষয়ত হস্তক্ষেপ

কৰাৰ অনুমতি দিওঁ। ভালেকেইজন আবেদনকাৰীয়ে দাখিল কৰা সকলো অভিযোগ আবেদন এই অনুসৰি নিষ্পত্তি কৰা হয়।

৪. আজি গৃহীত হোৱা আমাৰ নিৰ্দেশ, নিৰ্দেশনা বিচৰা বিভিন্ন আবেদনত সীমাবদ্ধ। সকলো আবেদন অৱশেষত নিষ্পত্তি কৰা হোৱা নাই, যাৰ বাবে আবেদনসমূহৰ চূড়ান্ত নিষ্পত্তিৰ বাবে কেইবাটাও গোচৰৰ চূড়ান্ত সিদ্ধান্তৰ বাবে অপেক্ষা কৰিব লাগিব।

৫. আমি এই আবেদনসমূহত নিৰ্দিষ্ট নিৰ্দেশনা বিচৰা আবেদনকাৰীসকলৰ অনুৰোধ বিবেচনা কৰিবলৈ আগবাঢ়িছো। নেশ্যনেল গ্ৰীণ ট্ৰাইবুনেল, প্ৰিন্সিপাল বেঞ্চ, নতুন দিল্লী(ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণৰ দিল্লীস্থিত মুখ্য পীঠ)ৰ দ্বাৰা গৃহীত বিভিন্ন নিৰ্দেশৰ বিৰুদ্ধে এই আবেদন দাখিল কৰা হৈছে। গৌহাটী উচ্চ ন্যায়ালয়ে মেঘালয় ৰাজ্যত খনন কাৰ্য্যত ১৫জন যুৱ শ্ৰমিকৰ মৃত্যুৰ সংক্ৰান্তত *চুউ মোতো* (স্বতঃস্ফূৰ্তভাৱে) ব্যৱস্থা গ্ৰহণ কৰিছিল। উক্ত স্বতঃস্ফূৰ্ত লেখ আবেদনখন নেশ্যনেল গ্ৰীণ ট্ৰাইবুনেললৈ স্থানান্তৰ কৰা হৈছিল, যি অ'. এ. নং ৭৩- ২০১৪ হিচাপে পঞ্জীয়ন কৰা হৈছিল। মূল আবেদনত মেঘালয় ৰাজ্যত বিশেষকৈ জয়ন্তীয়া পাহাৰ জিলাত অবৈধ খনন কাৰ্য্য তৎক্ষণাত বন্ধ কৰিবলৈ আৰু অবৈধ খননৰ প্ৰভাৱৰ মূল্যায়ন আৰু পৰিৱেশৰ ক্ষতি নিৰ্ধাৰণৰ বাবে এখন সমিতি গঠনৰ অনুৰোধ কৰা হৈছিল।

৬. ন্যায়াধিকৰণে ১৭-০৪-২০১৪ৰ নিৰ্দেশৰ জৰিয়তে কৰ্তৃপক্ষক মেঘালয় ৰাজ্যত ৰেট হোল মাইনিং (খননৰ এটা আদিম আৰু বিপজ্জনক পদ্ধতি, য'ত কয়লা উলিয়াবলৈ মানুহে বগুৱা বাই যাব পৰাকৈ সৰু সুৰংগ খান্দি লোৱা হয়) আৰু অবৈধ খনন তৎক্ষণাত বন্ধ কৰা আৰু কয়লাৰ কোনো অবৈধ পৰিবহণ নোহোৱাটো নিশ্চিত কৰিবলৈ নিৰ্দেশ দিছিল। পক্ষবোৰক জাননী দিয়াৰ পিছত ন্যায়াধিকৰণে প্ৰতিবেদন দাখিল কৰিবলৈ আৰু অন্যান্য ব্যৱস্থা গ্ৰহণ কৰিবলৈ সমিতি গঠন কৰিছিল।

৭. কেইবাজনো আবেদনকাৰীৰ ফালৰ পৰা কৰা অনুৰোধত ৰাষ্ট্ৰীয় সেউজ ন্যায়াধিকৰণে কিছুমান চৰ্তৰ অধীনত কয়লা পৰিবহণৰ অনুমতি দিছে। ন্যায়াধিকৰণে জাৰি কৰা বিভিন্ন নিৰ্দেশৰ বিৰুদ্ধে এই আপীলসমূহ দাখিল কৰা হৈছে আৰু এই আপীলসমূহতো এই আদালতে নিয়ম আৰু চৰ্ত অনুসৰি কয়লা পৰিবহণৰ অনুমতি দিয়া বিভিন্ন নিৰ্দেশ জাৰি কৰিছিল। বৰ্তমানৰ গোচৰৰ ক্ষেত্ৰত, আমি কেৱল ০৪-১২-২০১৮ তাৰিখৰ নিৰ্দেশটো লক্ষ্য কৰিব লাগিব, যাৰ দ্বাৰা এই আদালতে নিম্নলিখিত নিৰ্দেশটো প্ৰদান কৰিছিলঃ -

> "মেঘালয় ৰাজ্যৰ হৈ হাজিৰ হোৱা পৰামৰ্শদাতা শ্ৰী ৰঞ্জন মুখাৰ্জীয়ে কয় যে, ১৭৬৬৫৫ মেট্ৰিক টন কয়লা পৰিবহণ কৰিব লাগিব।
>
> আমি, ৩১-০১-২০১৯ লৈকে কয়লা পৰিবহণৰ সময়সীমা বান্ধি দিওঁ।
>
> বিষয়বোৰ ১৫-০১-২০১৯ত তালিকাভুক্ত কৰক।
>
> চি.এ. নং ৫২৭২- ২০১৬-ৰ আই. এ. নং ১৫৭০৯০- ২০১৮ত জাননী জাৰি কৰক।"

৮. এই আদালতৰ আদেশ অনুসৰি ০৪-১২-২০১৮ৰ লগে লগে কয়লাৰ পৰিবহণ আৰম্ভ হৈছিল। এই আদালতৰ দ্বাৰা ৩১-০১-২০১৯ লৈকে কয়লা পৰিবহণৰ সময়সীমা বান্ধি দিয়া হৈছিল। ০৪-১২-২০১৮তাৰিখৰ নিৰ্দেশ অনুসৰি, কিছুমান ব্যক্তি আৰু সংস্থাই কয়লা পৰিবহণৰ বাবে পৰিবহণ চালান লাভ কৰিছে। ২০১৯চনৰ জানুৱাৰী মাহত এক দুৰ্ভাগ্যজনক ঘটনা সংঘটিত হৈছিল, য'ত মেঘালয় ৰাজ্যত ৰেট হোল খননত বহুকেইজন শ্ৰমিকৰ মৃত্যু হৈছিল, এই আদালতত ভালেকেইখন আই. এ. দাখিল কৰা হৈছিল আৰু আদালতে লগে লগে ১৫-০১-২০১৯-ত কয়লা পৰিবহণ বন্ধ

কৰাৰ নিৰ্দেশ দিছিল। ১৫-০১-২০১৯-ত নিম্নলিখিত আদেশ প্ৰদান কৰা হৈছিলঃ

"আই. এ. নং ১৭১৫৭২/ ২০১৮, ৫০৫১/ ২০১৯, ৫০৫৫/ ২০১৯ আৰু ৭৮৪৫/ ২০১৯

জাননী জাৰি কৰক।

পৰৱৰ্তী শুনানিৰ তাৰিখৰ আগতে আই. এ. নং ১৫৭০৯০-২০১৮ সমন্বিতে এই অন্তৰ্বৰ্তী আবেদনসমূহত প্ৰতিক্ৰিয়া দাখিল কৰা হওঁক।

১৯-০২-২০১৯-ত তালিকাভুক্ত কৰক।

পৰৱৰ্তী শুনানিৰ তাৰিখলৈকে স্থানসমূহত পৰি থকা কোনো কয়লাৰ পৰিবহণ কৰা নহ'ব।"

৯. ৰাজ্য চৰকাৰেও এই আদালতৰ আদেশ অনুসৰণ কৰি লগে লগে এই আদালতৰ নিৰ্দেশ পালন কৰাটো নিশ্চিত কৰিবলৈ নিৰ্দেশনা জাৰি কৰিছিল। ১৮-০১-২০১৯ তাৰিখৰ আদেশ অনুসৰি, ৰাজ্য চৰকাৰে ১৫-০১-২০১৯ তাৰিখৰ আদেশ আংশিকভাৱে সংশোধন কৰিছিল, যদিও ই কিছুমান চৰ্তত কয়লা পৰিবহণৰ অনুমতি দিছিল, মেঘালয় ৰাজ্যৰ ১৮-০১-২০১৯ তাৰিখৰ নিৰ্দেশটো তলত দিয়া ধৰণৰঃ

**"আদেশ**

এই বিভাগৰ ১৫-০১-২০১৯ৰ আদেশ নং এম. জি. ৫১/২০১৮/২৫-ৰ আংশিক পৰিৱৰ্তনমৰ্মে, মেঘালয় ৰাজ্যত কয়লা পৰিবহণৰ অনুমতি আৰু নিয়ন্ত্ৰণ তলত দিয়া ধৰণে তাৎক্ষণিকভাৱে কাৰ্যকৰী হ'ব-

(i) উচ্চতম ন্যায়ালয়ৰ ১৫-০১-২০১৯ৰ আদেশৰ পূৰ্বে স্থানসমূহৰ পৰা সংগ্ৰহ কৰা আৰু পৰিবহন কৰা কয়লা আৰু বৈধ নথিপত্ৰ সমন্বিত।

(ii) মেঘালয় ৰাজ্যৰ বাহিৰত উৎপন্ন হোৱা আৰু মেঘালয় ৰাজ্যৰ মাজেৰে কাৰখানা, সাধাৰণ ঘৰুৱা বা ৰপ্তানি আদিৰ ব্যৱহাৰৰ বাবে পৰিবহণ কৰা কয়লা।

(iii) উচ্চতম ন্যায়ালয়ৰ ১৫-০১-২০১৯ৰ নির্দেশৰ পিছত মেঘালয়ত কয়লা পৰিবহণৰ বাবে কোনো চালান জাৰি কৰা নহ'ব।

ইয়াৰ দ্বাৰা সংশ্লিষ্ট সকলো কর্তৃপক্ষক ওপৰোক্ত নির্দেশনাসমূহ পালন কৰাটো নিশ্চিত কৰিবলৈ নির্দেশ দিয়া হৈছে যাতে, উচ্চতম ন্যায়ালয়ৰ ১৫-০১-২০১৯ৰ আদেশ পালন কৰাটো নিশ্চিত কৰিব পাৰি।

স্বাক্ষৰ- (টি. দখাৰ)

আয়ুক্ত আৰু সচিব, খনি আৰু ভূতত্ত্ব বিভাগ, মেঘালয় ৰাজ্য চৰকাৰ। "

১০. পৰিবহণৰ বাবে এই আদালতত পুনৰ কিছুমান আই. এ. দাখিল কৰা হৈছিল। ২০১৯ চনৰ আই. এ.-ৰ ভিতৰত এখন অর্থাৎ আই. এ. নং ১৩৩৮০/২০১৯ খন এগৰাকী নিলাম-ক্রেতাৰ দ্বাৰা কৰা হৈছিল, যি নিলামী-ক্রয় লাভ কৰাৰ পিছত কয়লা পৰিবহণৰ কৰিব বিচাৰিছিল। এই আদালতে ২৮-০১-২০১৯ত বিভিন্ন আই. এ. নাকচ কৰিছিল আৰু কেৱল নিলামৰ ক্রেতাৰ দ্বাৰা দাখিল কৰা ২০১৯চনৰ ১৩৩৮০নং আবেদনৰ অনুমতি দিছিল। ২৮-০১-২০১৯ তাৰিখৰ আদেশ তলত দিয়া ধৰণৰ-

"চি. এ. ৫২৭২/ ২০১৬-ত থকা আই. এ. নং ১৩৩৭৫/২০১৯ আৰু ১৪১২৪/২০১৯:

আবেদনকাৰীসকলৰ আশংকা, এই আবেদনৰ প্রার্থনাত প্রকাশ কৰাৰ দৰে, মেঘালয় চৰকাৰে ইয়াৰ ১৮-০১-২০১৯তাৰিখৰ আদেশৰ দ্বাৰা সামৰি লৈছিল।

আদালতৰ বন্ধু- বিদ্বান শ্ৰীযুত কলিন গনজালভেছে অৱগত কৰে যে, এই আদালতৰ আদেশ, ১৫-০১-২০১৯-ত গৃহীত হোৱাৰ পূৰ্বে ইতিমধ্যে স্থানসমূহৰ পৰা কয়লা বোজাই কৰা আৰু পৰিবহণত কৰা ট্ৰাকবোৰ বাহিৰলৈ যাবলৈ অনুমতি দিয়া নিৰ্দেশৰ পিছত, সেই ট্ৰাকবোৰক কয়লা কঢ়িয়াই নিয়াৰ অনুমতি দিয়া হৈছে। সেয়েহে আৰু কোনো আদেশ দিয়াৰ প্ৰয়োজন নাই।

সেই অনুসৰি অন্তৰৰ্তী আবেদনসমূহ নাকচ কৰা হয়।

<u>চি. এ. ৫২৭২/২০১৬ৰ আই. এ. নং ১৩৩৮০/২০১৯:</u>

আবেদনকাৰীয়ে উল্লেখ কৰিছে যে, আবেদনকাৰীয়ে চৰকাৰৰ পৰা নিলামত কয়লা ক্ৰয় কৰিছে। স্বাভাৱিকভাৱেই এনে পৰিস্থিতিত, আবেদনকাৰীক কয়লা পৰিবহণৰ অনুমতি দিব লাগিব। আবেদনত কৰা প্ৰাৰ্থনাৰ ক্ষেত্ৰত এই আবেদনৰ অনুমতি দিয়া হৈছে।"

১১. মেঘালয় চৰকাৰে পুনৰ ১৮-০১-২০১৯ তাৰিখৰ পূৰ্বৰ নিৰ্দেশটো স্পষ্ট কৰি ০৭-০২-২০১৯ তাৰিখৰ এক আদেশ জাৰি কৰিছিল। তাৰপিছত বিভিন্ন সংস্থা আৰু ব্যক্তিয়ে মেঘালয় ৰাজ্যৰ আগত আৰু এই আদালতৰ আগত কয়লা পৰিবহণৰ অনুমতিৰ বাবে আবেদন দাখিল কৰিছে। মেঘালয় ৰাজ্যৰ হৈ হাজিৰ হোৱা বিদ্বান পৰামৰ্শদাতাই গৌহাটী উচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ শ্ৰী বি. পি. কটকীয়ে ৩১-০৩-২০১৯ত দাখিল কৰা এটা প্ৰতিবেদনৰ প্ৰতিলিপি দাখিল কৰিছে, যিখন কমিটীক নেশ্যনেল গ্ৰীণ ট্ৰাইবুনেলৰ দ্বাৰা ৩১-০৮-২০১৮ তাৰিখৰ নিৰ্দেশৰ দ্বাৰা নিযুক্তি দিয়া হৈছিল। ৰাজ্যখনৰ পৰা বিদ্বান পৰামৰ্শদাতাই দাখিল কৰে যে, কমিটীয়ে ৩১-০৩-২০১৯ তাৰিখৰ উক্ত প্ৰতিবেদনৰ Oনং দফাত কয়লা পৰিবহণৰ বিষয়ে আলোচনা কৰিছে। প্ৰতিবেদনৰ Oনং দফাৰ উদ্‌ধৃতি দিয়াটো প্ৰাসংগিক, নিম্নলিখিত ধৰণে:

"O. **<u>কয়লা পৰিবহণকে ধৰি কয়লা খনন কাৰ্য্য</u>**

মাননীয় উচ্চতম ন্যায়ালয়ে ০৪-১২-২০১৮ তাৰিখৰ নিৰ্দেশৰ জৰিয়তে, মেঘালয় ৰাজ্যৰ হৈ হাজিৰ হোৱা বিদ্বান পৰামৰ্শদাতাই পৰিবহণৰ বাবে ১,৭৬,৬৫৫ মেট্ৰিক টন কয়লা উপলব্ধ বুলি কৰা দাখিলৰ ভিত্তিত ৩১-০৩-২০১৯ লৈকে কয়লা পৰিবহণৰ অনুমতি দিছিল। অৱশ্যে, মাননীয় উচ্চতম ন্যায়ালয়ে ১৫-০১-২০১৯ তাৰিখৰ পৰৱৰ্তী আদেশৰ জৰিয়তে নিৰ্দেশ দিছিল যে, স্থানসমূহত পৰি থকা কোনো কয়লা পৰিবহণ কৰা নহ'ব। ১৯-০২-২০১৯ তাৰিখৰ নিৰ্দেশত, মাননীয় উচ্চতম ন্যায়ালয়ে ইতিমধ্যে খনন কৰা কয়লা পৰিবহণৰ অনুমতি দিয়াৰ বাবে ভালেকেইখন অন্তৰৰ্তী আবেদন দাখিল কৰাৰ কথা লক্ষ্য কৰিছে। মেঘালয় চৰকাৰৰ খনি আৰু ভূতত্ত্ব বিভাগৰ আয়ুক্ত আৰু সচিবে সমিতিখনক অৱগত কৰিছে যে, মাননীয় উচ্চতম ন্যায়ালয়ৰ দ্বাৰা গৃহীত ১৫-০১-২০১৯ তাৰিখৰ নিৰ্দেশ এতিয়াও বলৱৎ হৈ আছে। সমিতিয়ে মাননীয় উচ্চতম ন্যায়ালয়ৰ দ্বাৰা গৃহীত উপৰোক্ত নিৰ্দেশসমূহৰ প্ৰতি লক্ষ্য ৰাখি মেঘালয় চৰকাৰৰ খনি আৰু ভূতত্ত্ব বিভাগলৈ ০৪-১২-২০১৮ৰ পৰা ১৫-০১-২০১৯ৰ মাজত পৰিবহণৰ বাবে চালান জাৰি কৰা কয়লাৰ পৰিমাণ আৰু মেঘালয় ৰাজ্যৰ পৰা ইতিমধ্যে পৰিবহণ কৰা কয়লাৰ পৰিমাণৰ বিষয়ত এক প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে। মেঘালয় চৰকাৰৰ খনি আৰু ভূতত্ত্ব বিভাগৰ আয়ুক্ত আৰু সচিবে কমিটীক অৱগত কৰিছে যে, ১৬৯১৪৯ মেট্ৰিক টন কয়লা পৰিবহণৰ বাবে চালান জাৰি কৰা হৈছে, ফলস্বৰূপে ০৪-১২-২০১৮ৰ পৰা ১৫-০১-২০১৯ৰ মাজত মেঘালয় ৰাজ্যৰ পৰা ৯৪,০৯৯ মেট্ৰিক টন কয়লা বাহিৰলৈ পৰিবহণ কৰা হৈছে, আৰু এতিয়াও ৭৫,০৫০ মেট্ৰিক

টন কয়লা পৰিবহণ কৰিবলৈ বাকী আছে, যাৰ সন্দৰ্ভত ইতিমধ্যে চালান জাৰি কৰা হৈছে। সমিতিখনে পূব জয়ন্তীয়া পাহাৰ জিলাৰ উপায়ুক্তক "শ্বিলং টাইমছ" নামৰ এখন স্থানীয় দৈনিক কাকতৰ শ্বিলং সংস্কৰণৰ ১২-০৩-২০১৩ প্ৰকাশিত *“Four died as coal laden truck capsized in EJH”* (পূব জয়ন্তীয়া পাহাৰত কয়লা ভৰ্ত্তি ট্ৰাক বাগৰি পৰা বাবে ৪জনৰ মৃত্যু) শীৰ্ষক এটা বাতৰি সন্দৰ্ভত প্ৰতিবেদন দাখিল কৰিবলৈ নিৰ্দেশ দিছে।

উপায়ুক্তই সমিতিৰ আগত ২৫-০৩-২০১৯ তাৰিখৰ কাৰ্য্যপ্ৰক্ৰিয়াত এক প্ৰতিবেদন দাখিল কৰি স্বীকাৰ কৰিছে যে, ১১-০৩-২০১৯-ত কয়লা লৈ যোৱা এখন ট্ৰাকৰ সৈতে এক দুৰ্ঘটনা সংঘটিত হৈছে আৰু সেই দুৰ্ঘটনাত ৪(চাৰিজন) লোকৰ মৃত্যু হৈছিল আৰু ৪(চাৰিজন) লোক আহত হৈছিল। ওপৰোক্ত স্থিতিৰ পৰা এইকথা স্পষ্ট হই যে, উচ্চতম ন্যায়ালয়ে কয়লা পৰিবহণ নিষিদ্ধ কৰাৰ নিৰ্দেশ জাৰি কৰাৰ পিছতো এনে পৰিবহণ চলি আছে যি কাৰ্য্য কৰ্তৃপক্ষৰ জ্ঞাত কাৰণসমূহৰ বাবে বন্ধ হোৱা নাই। বিভিন্ন বাতৰি কাকতত প্ৰকাশিত বাতৰি অনুসৰি, মাননীয় এন. জি. টি.-ৰ নিষেধাজ্ঞা সত্বেও অবৈধ কয়লা খনন কাৰ্য চলি আছে।"

১২. ৰাজ্যখনৰ বিদ্বান পৰামৰ্শদাতাই দাখিল কৰে যে, ওপৰোক্ত প্ৰতিবেদন অনুসৰি, প্ৰায় ১৭৬৬৫৫ মেট্ৰিক টন কয়লা এতিয়াও পৰিবহণ কৰিবলৈ বাকী আছিল, যাৰ সন্দৰ্ভত ইতিমধ্যে পৰিবহণৰ চালান জাৰি কৰা হৈছে। তেওঁ লগতে কয় যে, তাৰোপৰি প্ৰতিবেদনত লক্ষ্য কৰা হৈছে যে, প্ৰায় ৭৫০৫০ মেট্ৰিক টন আছিল, যিপৰিমাণৰ কয়লাৰ পৰিবহণৰ বাবে চালান জাৰি কৰা হৈছিল, যি পৰিমাণৰ কয়লা ১৭৬৬৫৫ মেট্ৰিক টন কয়লাত অন্তৰ্ভুক্ত কৰা হৈছে, আৰু ০৪-১২-২০১৮ তাৰিখত যি পৰিমাণ এই

আদালতে পৰিবহণ কৰাৰ অনুমতি দিছিল। বিভিন্ন আই. এ.-ৰ সমৰ্থনত আবেদনকাৰীসকলৰ বিদ্বান পৰামৰ্শদাতাই আমাৰ আগত বিভিন্ন ধৰণৰ যুক্তি দাখিল কৰিছিল। কিছুমান আবেদনকাৰী হৈছে তেনে লোক, যিসকলে ০৪-১২-২০১৮ তাৰিখৰ নিৰ্দেশ অনুসৰি কয়লা পৰিবহণৰ বাবে পৰিবহণ চালান লাভ কৰিছে আৰু তেওঁলোকৰ কয়লা ১৭৬৬৫৫ মেট্ৰিক টন পৰিমাণত অন্তৰ্ভুক্ত কৰা হৈছিল কিন্তু, যিখিনি ১৫-০১-২০১৯ তাৰিখৰ নিৰ্দেশৰ বাবে পৰিবহণ কৰিব পৰা নাছিল। আন কিছুমান আবেদনকাৰীয়ে উপস্থাপন কৰে যে, ৰাজ্য আৰু সংশ্লিষ্ট উপায়ুক্তৰ দ্বাৰা ইতিমধ্যে তেওঁলোকৰ বৃহৎ পৰিমাণৰ কয়লাৰ মূল্যায়ন কৰা হৈছে। মূল্যায়ন সম্পন্ন কৰা ৰাজ্য চৰকাৰৰ দ্বাৰা নিযুক্ত কাৰিকৰী সমিতিৰ প্ৰতিবেদনৰ কথাও উল্লেখ কৰা হৈছে। আন বিভিন্ন আবেদনকাৰী আছে, য'ত আবেদনকাৰীসকলে মূল্যায়ন নকৰা কয়লাৰ পৰিবহণ বিচাৰিছে। এই কথাৰ যুক্তি দিয়া হয় যে, সকলো আবেদনকাৰী পৰিবহণৰ অধিকাৰী। ইয়াৰ উপৰিও দাবী কৰা হৈছে যে, পৰৱৰ্তী বৰ্ষা ঋতুত কয়লা পৰিবহণৰ অনুমতি দিয়া নহ’লে, পৰিৱেশৰ ওপৰত বিৰূপ প্ৰভাৱ পৰিব। এই কথা উপস্থাপন কৰা হৈছিল যে, বৃহৎ পৰিমাণৰ কয়লা মুকলি ঠাইত পৰি আছে, যাৰ ফলত পৰিৱেশ প্ৰদূষণ হ'ব।

১৩. বিদ্বান *এমিকাচ কিউৰী* আৰু শ্ৰী নিধেশ গুপ্তাই আবেদনকাৰীসকলৰ দাখিলক অস্বীকাৰ কৰিছিল। এই কথা উপস্থাপন কৰা হৈছিল যে, এতিয়া পৰিবহণ কৰিবলৈ বিচৰা কয়লা খিনি **মাইন আৰু মিনাৰেলচ (দেভেলপমেন্ট এণ্ড ৰেগুলেচন)এক্ট** [**খনি আৰু খনিজ (উন্নয়ন আৰু নিয়ন্ত্ৰণ) আইন**], **১৯৫৭**-ৰ বিৰুদ্ধাচৰণ কৰি অবৈধভাৱে খনন কৰা হৈছিল। এইকথা দাখিল কৰা হৈছে যে, কয়লাৰ অবৈধ খনন প্ৰতিষ্ঠা কৰি ইতিমধ্যে এই আদালতত বিৱৰণ দাখিল কৰা হৈছে।

১৪. আমি, পক্ষসমূহৰ যুক্তি শুনাৰ পিছত, এই অভিমত পোষণ কৰিছো যে, বৰ্তমানৰ বাবে, আমি কেৱল আবেদনকাৰীসকলক বিবেচনা কৰিব লাগিব, যিসকলে ০৪-১২-২০১৮ তাৰিখৰ এই আদালতৰ আদেশৰ সন্দৰ্ভত পৰিবহণ বিচাৰিছে। ৩১-০৩-২০১৯ তাৰিখৰ কটকী কমিটিৰ প্ৰতিবেদনত ইতিমধ্যে পৰিমাণবিষয়ত উল্লেখ কৰা হৈছে, যি ০৪-১২-২০১৮ তাৰিখৰ আদেশৰ দ্বাৰা পৰিবহণ কৰাৰ অনুমতি দিয়া হৈছিল। প্ৰতিবেদনত পুনৰ উল্লেখ কৰা হৈছে যে, নিৰ্দেশ অনুসৰি ১৭৬৬৫৫ মেট্ৰিক টন কয়লা পৰিবহণৰ বাবে চালান জাৰি কৰা হৈছিল, যাৰ পৰিপ্ৰেক্ষিতত ইতিমধ্যে ৯৪০৯৯ মেট্ৰিক টন কয়লা পৰিবহণ কৰা হৈছে আৰু পৰিবহণৰ বাবে ৭৫০৫০ মেট্ৰিক টন কয়লা বাকী আছে। আমি লক্ষ্য কৰিছো যে, ০৪-১২-২০১৮ৰ নিৰ্দেশ অনুসৰি কয়লা পৰিবহণৰ সময় এতিয়াও ৩১-০১-২০১৯ আছিল কিন্তু, এটা দুৰ্ভাগ্যজনক ঘটনাৰ বাবে, য'ত ৰেট হোল খননত কেইবাজনো শ্ৰমিকৰ মৃত্যু হৈছিল, এই আদালতে ১৫-০১-২০১৯-ত পৰিবহণ বন্ধ কৰি দিছিল। সেয়েহে, আমাৰ অভিমত এইয়ে যে, বৰ্তমান কেৱল ৭৫০৫০ মেট্ৰিক টন কয়লা পৰিবহণৰ বাবে অনুমতি প্ৰদান কৰিব পাৰি, যাৰ সন্দৰ্ভত মেঘালয় ৰাজ্যই ইতিমধ্যে পৰিবহণ চালান জাৰি কৰিছে। আমি এইবিষয়ত সচেতন যে, যদি এই আদালতৰ দ্বাৰা কয়লা পৰিবহণৰ অনুমতি দিয়া হয়, তেন্তে অবৈধ খননৰ গুৰুতৰ বিপদৰ সম্ভাৱনা আছে। আমি লক্ষ্য কৰিছো যে, খননৰ ওপৰত নিষেধাজ্ঞা ইতিমধ্যে নেচনেল গ্ৰীণ ট্ৰাইবুনেলৰ দ্বাৰা আৰোপ কৰা হৈছে, যি নিৰ্দেশ এতিয়াও এই আদালতৰ দ্বাৰা হস্তক্ষেপ কৰা হোৱা নাই।

১৫. আমি এনেদৰে ৭৫০৫০ মেট্ৰিক টন কয়লা পৰিবহণৰ অনুমতি দিছোঁ, যাৰ সন্দৰ্ভত ইতিমধ্যে পৰিবহণ চালান জাৰি কৰা হৈছে। আমি এইটোও বিচাৰো যে, ৭৫০৫০ মেট্ৰিক টন পৰিমাণৰ উক্ত পৰিবহণৰ বাবে মেঘালয় ৰাজ্যই প্ৰয়োজনীয় সাৱধানতা অৱলম্বন কৰিব লাগিব যাতে, এই

অনুমতিৰ আঁৰত আন কোনো কয়লা পৰিবহণ বা খনন কৰা নহয়। মেঘালয় ৰাজ্যই এই আদালতৰ ০৪-১২-২০১৮ৰ নির্দেশৰ পিছত কটকী কমিটিয়ে কোৱাৰ দৰে- কেৱল যিসকলৰ পৰিবহণ চালান আছে তেওঁলোককহে ৭৫০৫০ মেট্রিক টন পৰিমাণৰ কয়লা পৰিবহণৰ অনুমতি দিয়া উচিত বুলি নিশ্চিত কৰাৰ বাবে ব্যৱস্থাটোৰ ওপৰত বিবেচনা কৰিব লাগিব। আমি এইটোও স্পষ্ট কৰি দিছোঁ যে, পৰিবহণৰ অনুমতি দিয়াৰ সময়ত ৰাজ্যিক কর্তৃপক্ষই বিভিন্ন পঞ্জীত এনেধৰণৰ পৰিবহণৰ সবিশেষ নথিভূক্ত কৰিব লাগে:

(i) **কয়লাৰ পৰিমাণৰ তথ্য,**

(ii) **পৰিশোধৰ বিৱৰণ,**

(iii) **কয়লা পৰিবহণ কৰা ব্যক্তি,**

(iv) **কয়লাৰ গৰাকী-ব্যক্তি আৰু**

(v) **প্ৰমাণীকৰণ প্ৰমাণপত্ৰৰ সবিশেষ আৰু তাৰিখ।**

এই বিৱৰণবোৰ নথিভূক্ত কৰাটো প্ৰয়োজনীয়, কিয়নো আমি এতিয়াও সিদ্ধান্ত ল'ব পৰা নাই যে, এই নির্দেশৰ অধীনত পৰিবহণ হ'বলগীয়া এনে কয়লাৰ ওপৰত আৰু কি দায়বদ্ধতা আৰোপ কৰিব পাৰি।

১৬. ৰাজ্যখনে পৰিবহণৰ বাবে অনুমতি প্ৰদান কৰোঁতে উপযুক্ত সাৱধানতা অৱলম্বন কৰিব লাগে আৰু এই আদেশৰ অধীনত, আন কোনো ধৰণৰ বা শ্ৰেণীৰ কয়লা পৰিবহণৰ অনুমতি দিয়া নহ'ব। ৰাজ্যি চৰকাৰে নির্ধাৰণ কৰা এই নির্দেশ আৰু চৰ্তসমূহ পালন কৰাটো নিশ্চিত কৰাৰ দায়িত্ব উপাযুক্তৰ তলৰ পদবীৰ নোহোৱা ৰাজ্য চৰকাৰৰ দায়িত্বশীল বিষয়াসকলৰ ওপৰত ন্যস্ত কৰিব লাগে। সেয়েহে, আমি এই নির্দেশৰ জৰিয়তে কেৱল হস্তক্ষেপৰ অনুমতি প্ৰদান কৰি পক্ষ লোৱাৰ আবেদনসমূহ নিষ্পত্তি কৰোঁ। নির্দেশনা বিচৰা আবেদনৰ ক্ষেত্ৰত, যিবোৰ আবেদনে আবেদনসমূহৰ চূড়ান্ত নিষ্পত্তিৰ সৈতে গোচৰৰ চূড়ান্ত

সিদ্ধান্তৰ বাবে অপেক্ষা কৰিব, সেইক্ষেত্ৰত ওপৰত উল্লেখ কৰা নিৰ্দেশসমূহ প্ৰদান কৰা হয়।

১৭. আমি মেঘালয় ৰাজ্যক ওপৰৰ অনুমতি অনুসৰি কয়লাৰ প্ৰমাণীকৰণ আৰু পৰিবহণ নিশ্চিত কৰাৰ বাবে ব্যৱস্থা চূড়ান্ত কৰিবলৈ নিৰ্দেশ দিছো, যিটো ব্যৱস্থা চূড়ান্ত কৰা হ'ব আৰু সংশ্লিষ্ট সকলোৰে সুবিধাৰ বাবে প্ৰচাৰ কৰা হ'ব আৰু আজিৰ পৰা এসপ্তাহৰ ভিতৰত স্থাপন কৰা হ'ব। উপায়ুক্ত তলৰ পদবীৰ নোহোৱা বিষয়া এগৰাকীৰ প্ৰমাণীকৰণ প্ৰমাণপত্ৰৰ সৈতে উপযুক্ত প্ৰমাণীকৰণৰ পিছত প্ৰকৃত পৰিবহনৰ অনুমতি ১৭ মে', ২০১৯ৰ পৰা ৩১ মে', ২০১৯ (১৫ দিন) লৈ অনুমতি দিয়া হ'ব। ২০১৯চনৰ ৩১মে'ৰ পিছত কোনো পৰিবহণৰ অনুমতি দিয়া নহ'ব।

ন্যায়াধীশ .....................

(অশোক ভূষণ)

ন্যায়াধীশ .....................

(কে. এম. জোছেফ)

নতুন দিল্লী, ১০মে', ২০১৯

-----------------------------------------------

অনুবাদ: ড. অৰ্চ্চনা দেৱী, কনিষ্ঠবৰ্গ অনুবাদক

অনুবাদ শাখা, গৌহাটী উচ্চ ন্যায়ালয়

DISCLAIMER

The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation.

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ

ব্যৱহৃত নহ'ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বুলি বিবেচিত হ’ব।”